**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-09-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত শাসনাধিষ্ঠিত চৰকাৰে **সেৱা আৰু সুশাসন** মন্ত্ৰৰ আধাৰত পৰিৱৰ্তন আৰু প্ৰগতিৰ বাবে নিৰৱিচ্ছিন্ন প্ৰয়াস চলাই আছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিজেপিৰ জ্যেষ্ঠ নেতা বিজয় কুমাৰ মালহোত্ৰাৰ প্ৰতি নতুন দিল্লীৰ বাসভৱনত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

৩। সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱটে সাংস্কৃতিক অধিকাৰ তথা সমতাপূৰ্ণ উন্নয়নৰ সৃষ্টিশীলতাক শক্তিশালী কৰাৰ প্ৰতি ভাৰতৰ দায়বদ্ধতা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰিছে।

***আৰু***

৪। আই চি চি মহিলা বিশ্বকাপ এদিনীয়া ক্ৰিকেটৰ উদ্বোধনী খেলখন আজি গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এচ’ছিয়েছনৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত শাসনাধিষ্ঠিত চৰকাৰে **সেৱা আৰু সুশাসন** মন্ত্ৰৰ আধাৰত পৰিৱৰ্তন আৰু প্ৰগতিৰ বাবে নিৰৱিচ্ছিন্ন প্ৰয়াস চলাই আছে। আজি সেৱা পৰ্বৰ এই বিশেষ শৃংখলাত কিদৰে কেপ্তেইন শুভাংশু শুক্লাই ঐতিহাসিক মহাজাগতিক যাত্ৰাত এটা নতুন গতি প্ৰদান কৰি অন্বেষণৰ এটা যুগলৈ ভাৰতবৰ্ষক আগবঢ়াই লৈ গৈছে - সেই বিষয়ত আলোকপাত কৰা হৈছে।

শুভাংশু শুক্লাই আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত প্ৰথমবাৰৰ বাবে ভাৰতীয় মহাকাশ যাত্ৰী হিচাপে ইতিহাস ৰচনা কৰাৰ সময়ত ১৪০ কোটি ভাৰতীয়ৰ সপোন বাস্তৱায়িত কৰাৰ প্ৰয়াস কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ মহাকাশ অন্বেষণৰ ই এটা গুৰুত্বপূৰ্ণ বিষয় আছিল। লগতে ই ISSRত মহাকাশ যাত্ৰীৰ সৈতে বাৰ্তালাপ কৰা - **গগণযান**ৰ সফলতাৰ দিশে এটা খোজ হিচাপে পৰিগণিত হৈছে। মহাকাশত থকা কালত শুক্লা আৰু তেওঁৰ দলে ভাৰতীয় গৱেষণা প্ৰতিষ্ঠানে উদ্ভাৱন কৰা ৭ টা সূক্ষ্ম মহাকৰ্ষণ গৱেষণাও সম্পন্ন কৰে। এই পৰীক্ষণ ভৱিষ্যতৰ দীৰ্ঘকালীন গ্ৰহ-নক্ষত্ৰৰ অভিযানত সহায়ক হ’ব। অভিযানৰ বিদায় সমাৰোহত শ্ৰীশুক্লাই কয়, যে মহাকাশৰ পৰা আজিৰ ভাৰতবৰ্ষখন উচ্চাকাংক্ষী, নিৰ্ভীক আৰু আত্ম-বিশ্বাসী ভাৰতবৰ্ষ হিচাপে দেখা যায়। তেওঁৰ এই যাত্ৰাই ভৱিষ্যতে মানৱ-মহাকাশ বিমান, এখন ভাৰতীয় মহাকাশ কেন্দ্ৰ আৰু চন্দ্ৰপৃষ্ঠলৈ এগৰাকী ভাৰতীয়ক প্ৰেৰণ কৰাৰ দৰে অভিযানৰ পথ প্ৰশস্ত কৰি তুলিলে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিজেপিৰ জ্যেষ্ঠ নেতা বিজয় কুমাৰ মালহোত্ৰাৰ প্ৰতি নতুন দিল্লীৰ বাসভৱনত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। নতুন দিল্লীৰ এইমছত আজি পুৱা এই জ্যেষ্ঠ নেতাগৰাকীৰ ৯৩ বছৰ বয়সত মৃত্যু হয়। তেওঁ বি জে পি দিল্লী গোটৰ প্ৰথমগৰাকী সভাপতি হিচাপে

কাৰ্য্য নিৰ্বাহ কৰিছিল। বিজয় কুমাৰ মালহোত্ৰাৰ মৃত্যুত শোক প্ৰকাশ কৰি উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণনে সামাজিক মাধ্যমত কয়, যে তেওঁ এগৰাকী অসাধাৰণ আৰু সকলোকে গভীৰভাৱে বুজি পোৱা তথা সকলোৰে সন্মানীয় নেতা আছিল। ক্ৰীড়া, প্ৰশাসনৰ লগতে জন-জীৱনলৈ তেওঁ আগবঢ়াই থৈ যোৱা অৱদান সকলোৰে মাজত চিৰস্মৰণীয় হৈ ৰ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে শ্ৰীমালহোত্ৰা জনসাধাৰণৰ সমস্যা গভীৰভাৱে উপলব্ধি কৰিব পৰা এগৰাকী ব্যক্তি আছিল। শ্ৰীমোদীয়ে লগতে দিল্লীত বিজেপিৰ সংগঠনক শক্তিশালী কৰি তোলাত শ্ৰীমালহোত্ৰাই আগবঢ়াই যোৱা অৱদানো সোঁৱৰণ কৰে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ সভাৰতি জগৎ প্ৰসাদ নড্ডাকে ধৰি আন দলীয় নেতাসকলে শ্ৰীমালহোত্ৰাৰ বাসগৃহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে দিল্লী বিজেপি গোটৰ সভাপতি, দিল্লী বিধানসভাত বিৰোধী দলৰ নেতা হিচাপে বা জন প্ৰতিনিধি হিচাপে প্ৰবীণ নেতাগৰাকীয়ে প্ৰতিটো ভূমিকাতে দেশ তথা দিল্লীৰ জনসাধাৰণলৈ সেৱা আগবঢ়াইছিল। বিজেপিৰ সভাপতি জে পি নড্ডাই শোক প্ৰকাশ কৰি কয়, যে বিজয় কুমাৰ মালহোত্ৰা সৰলতা আৰু কৰ্মনিষ্ঠাৰ বাবে জনাজাত। দিল্লীত বিজেপিৰ সাংগঠনিক ভেঁটি শক্তিশালী কৰি তোলাৰ লগতে অগণন কৰ্মীক নেতাগৰাকীয়ে উদ্বুদ্ধ কৰিবলৈ সমৰ্ত হৈছিল বুলি শ্ৰীনড্ডাই প্ৰকাশ কৰে। দলীয় কৰ্মীসকলে শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে কাইলৈ বিজয় কুমাৰ মালহোত্ৰাৰ শৰদেহ পন্তমাৰ্গত থকা বিজেপিৰ কাৰ্য্যালয়লৈ অনা হ'ব আৰু কাইলৈয়ে সৎকাৰ সম্পন্ন কৰা হ'ব।

ooooo

সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱটে সাংস্কৃতিক অধিকাৰ তথা সমতাপূৰ্ণ উন্নয়নৰ সৃষ্টিশীলতাক শক্তিশালী কৰাৰ প্ৰতি ভাৰতৰ দায়বদ্ধতা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰিছে। স্পেইনত অনুষ্ঠিত সাংস্কৃতিক নীতি আৰু বহনক্ষম উন্নয়নৰ বিশ্ব সন্মিলনত এছিয়া-প্ৰশান্ত মহাসাগৰীয় গোটৰ অধ্যক্ষ হিচাপে শ্ৰী শ্বেখাৱটে অংশগ্ৰহণ কৰে। ইউনেস্ক'ই আহ্বান কৰা এই অনুষ্ঠানত বিশ্ব বিভিন্ন প্ৰান্তৰ মন্ত্ৰী আৰু সাংস্কৃতি নেতাসকলক একত্ৰিত কৰি বিশ্ব সাংস্কৃতিক নীতিৰ ভৱিষ্যৎ গঢ় দিয়া হয়। এই সন্মিলনৰ উপৰিও মন্ত্ৰীগৰাকীয়ে স্পেইন, ইৰাণ, নৰৱে, কলম্বিয়া আৰু গ্ৰীচৰ মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। মূলতঃ ঐতিহ্য সংৰক্ষণ, সৃষ্টিশীল উদ্যোগ, সংগ্ৰহালয় আৰু পৰিৱেশ্য কলাৰ ক্ষেত্ৰত থকা সহযোগিতাই আজিৰ আলোচনাত স্থান পায় বুলি সাংস্কৃতিক মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

ooooo

মহাৰাষ্ট্ৰ মন্ত্ৰীসভাই এটা ব্যাপক কেন্সাৰ আৰোগ্য নীতিত অনুমোদন জনাইছে।এই নীতিৰ জড়িয়তে ৰাজ্যখনৰ কেন্সাৰ ৰোগী সকলক উপযুক্ত চিকিৎসা প্ৰদানৰ নিশ্চিতি প্ৰদান কৰা হৈছে। এই সন্দৰ্ভত ১৮ খন হস্পিটেলৰ জৰিয়তে তিনি খলপীয়া উচ্চস্তৰীয় কেন্সাৰ চিকিৎসা প্ৰদান ব্যৱস্থা প্ৰতিস্থা কৰা হৈছে। এই ব্যৱস্থাক সহযোগ আৰু সমৰ্থন কৰাৰ বাবে চৰকাৰে ১০০ কোটি টকা ব্যয় সাপেক্ষ মহাৰাষ্ট্ৰ কেন্সাৰ চিকিৎসা, গৱেষণা আৰু শৈক্ষিক বুনিয়াদ - নামেৰে এটা নতুন সংস্থা প্ৰতিষ্ঠা কৰিব। ইয়াৰ উপৰিও মন্ত্ৰীসভাই উদ্যোগিক, বাণিজ্যিক আৰু অন্যান্য উপভোক্তা সামগ্ৰীৰ উপৰত অতিৰিক্ত কৰ আৰোপ কৰা বিষয়টোতো অনুমোদন জনায়।

ooooo

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা অৰু ক্ৰীডা মন্ত্ৰালয়ে চলিত বৰ্ষৰ ক্ৰীড়া বঁটাৰ বাবে আবেদন আহ্বান কৰিছে। মন্ত্ৰালয়ৰ চৰকাৰী ৱেবচাইটত এই বঁটাৰ বাবে জাননী আপলোড কৰা হৈছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি যোগ্য খেলুৱৈ আৰু প্ৰশিক্ষকসকলে ২৮ অক্টোবৰৰ ভিতৰত www.dbtyas-sports.gov.in পৰ্টেলৰ আবেদন দাখিল কৰিব পাৰিব।

উল্লেখযোগ্য যে, ক্ৰীড়াৰ ক্ষেত্ৰত উতকৃষ্টতা প্ৰদৰ্শন কৰাৰ স্বীকৃতি স্বৰূপে প্ৰতি বছৰে ক্ৰীড়া বঁটা প্ৰদান কৰা হয়। একোগৰাকী ক্ৰীড়াবিদৰ অসাধাৰণ আৰু দৰ্শনীয় প্ৰদৰ্শনৰ বাবে মেজৰ ধ্যানচান্দ খেলৰত্ন বঁটা প্ৰদান কৰা হয়। ক্ৰীড়াত ধাৰাবাহিকতা অক্ষুণ্ণ ৰখা আৰু ব্যতিক্ৰমী প্ৰদৰ্শনৰ বাবে অৰ্জুন বঁটা প্ৰদান কৰা হয়। ক্ৰীড়াৰ বিকাশৰ ক্ষেত্ৰত আগবঢ়োৱা আজীৱন অৱদানৰ বাবে জীৱনজোৰা অৰ্জুন বঁটা আগবঢ়োৱা হয়। ইয়াৰ উপৰি আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠানত পদক বিজয়ী খেলুৱৈৰ প্ৰশিক্ষকক দ্ৰোণাচাৰ্য্য বঁটা প্ৰদান কৰা হয়।

ooooo

বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে চূড়ান্ত ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হ'ব। এই তালিকাৰ অধীনতে ৰাজ্যখনত বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব। নিৰ্বাচন আয়োগে অনলাইন যোগে ভোটাৰ তালিকা প্ৰকাশ কৰিব আৰু বিয়লিলৈ আয়োগৰ ৱেবছাইটত এয়া উপলভ্য হ'ব। বিহাৰৰ মুখ্য নিৰ্বাচন বিষয়াৰ কাৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি ৰাজ্যখনৰ প্ৰতিখন জিলাৰ নিৰ্বাচন বিষয়া তথা জিলা দণ্ডাধীশলৈ ইয়াৰ প্ৰতিলিপি প্ৰেৰণ কৰা হ'ব। এই তালিকাৰ প্ৰতিলিপি সকলো স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ ৰাজনৈতিক দললৈও প্ৰেৰণ কৰা হ'ব।

ভোটাৰ তালিকাৰ বিশেষ সংশোধন অভিযানৰ পাছত ভোটাৰ তালিকাৰ খচৰা যোৱা এক আগষ্টত প্ৰকাশ কৰা হৈছিল। এই খচৰাত সাত কোটি ২৪ লাখৰো অধিক ভোটদাতাৰ নাম অন্তৰ্ভুক্ত হৈছিল। যোৱা বছৰৰ লোকসভা নিৰ্বাচনত বিহাৰৰ ভোটদাতাৰ সংখ্যাই সাত কোটি ৮৯ লাখ স্পৰ্শ কৰিছিল। ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ পাছত আন ঠাইলৈ গুচি যোৱা অথবা অবৈধভাৱে তালিকাত নাম সোমোৱা প্ৰায় ৬৫ লাখ ভোটদাতাৰ নাম তালিকাৰ পৰা বাদ পৰিছিল। তাৰ পাছত ওজৰ-আপত্তি প্ৰক্ৰিয়াৰ জৰিয়তে ১৬ লাখ ৫৯ হাজাৰ যোগ্য নাগৰিকে Form-6 দাখিল কৰি ভোটাৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি প্ৰায় তিনি লাখ ভোটদাতালৈ প্ৰয়োজনীয় নথি-পত্ৰ দাখিল নকৰাৰ বাবে জাননী প্ৰেৰণ কৰা হৈছিল।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শাৰদীয় দুৰ্গা পূজা উপলক্ষে দেশ-বিদেশৰ ভাৰতীয়সকলক শুভাচ্ছা জনাইছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিয়ে কয়, যে এই উৎসৱে দেশৰ সংস্কৃতি, বিশ্বাস আৰু আধ্যাত্মিক ঐতিহ্যক প্ৰতিফলিত কৰে। মা দুৰ্গাৰ নটা ৰূপৰ আৰাধনাই জনসাধাৰণক সত্য, ন্যায় আৰু সহানুভূতিৰ প্ৰতি উদ্বুদ্ধ কৰি তোলে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা প্ৰকাশ কৰে যে, শাৰদীয় দুৰ্গোৎসৱে সকলোকে সুখ, শান্তি আৰু সু-স্বাস্থ্য প্ৰদান কৰিব। গৃহমন্ত্ৰী অমিত শ্বাহে সকলোৰে কল্যাণ, সুখ আৰু সমৃদ্ধিৰ বাবে দেৱী দুৰ্গাক প্ৰাৰ্থনা জনায়।

০০০০০

আই চি চি মহিলা বিশ্বকাপ এদিনীয়া ক্রিকেটৰ উদ্বোধনী খেলখন আজি গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্রিকেট এচ'ছিয়েছনৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। উদ্বোধনী খেলখনত ভাৰতৰ মহিলা ক্রিকেট দলটো শ্রীলংকাৰ মুখামুখি হৈছে। বিয়লি ৩ বজাত আৰম্ভ হোৱা খেলখন বৰষুণৰ বাবে দুবাৰকৈ খেলখন বিঘ্নিত হোৱাৰ বাবে ৪৮ অভাৰলৈ সীমিত কৰা হৈছে। টছত জিকি শ্রীলংকাই প্রথমে বলিং কৰাৰ সিদ্ধান্ত লয়। আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ..... টা উইকেট হেৰুৱাই ..... অভাৰত ..... ৰান কৰি খেলি আছে।

উদ্বোধনী অনুষ্ঠানত কেইবাগৰাকীও জনপ্রিয় কণ্ঠশিল্পীয়ে সদ্যপ্রয়াত শিল্পী জুবিন গাৰ্গৰ গীতেৰে তেওঁলৈ শ্রদ্ধাঞ্জলি জ্ঞাপন কৰে। বলিউদৰ বিশিষ্ট কণ্ঠশিল্পী শ্রেয়া ঘোষালে জুবিন গাৰ্গৰ মায়াবিনী গীতটোৰে শ্রদ্ধাঞ্জলি জনায়।

০০০০০

সমাপ্ত